# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 28-11-2025
**Time :** 18-45 HRS

***Assamese Evening Bulletin***
**-------------------**
**:::::::::::::::::::**

১। চাহ শ্ৰমিকক ভূমিৰ অধিকাৰ প্ৰদান সন্দৰ্ভত আজি অসম বিধানসভাত বিধেয়ক গৃহীত।

২। ৰাজ্যত নতুনকৈ আৰু ১৩ খন চিকিৎসা মহাবিদ্যালয়ৰ আন্তঃগাঁথনি নিৰ্মাণৰ কাম হাতত লোৱা হৈছে বুলি স্বাস্থ্য মন্ত্ৰী অশোক সিংহালৰ প্ৰকাশ।

৩। হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধাৰ্থে ৩০০ টকাকৈ জলপানি প্ৰদানৰ ব্যৱস্থাৰ শুভাৰম্ভ।

৪। অভিযুক্তৰ ৰেটিনা স্কেন কৰি বিজ্ঞানসন্মতভাৱে অপৰাধী চিনাক্তকৰণৰ লক্ষ্যৰে অসম আৰক্ষীৰ অভিনৱ ব্যৱস্থা গ্ৰহণ। ***আৰু***

৫। গোৱাৰ পানাজীত অনুষ্ঠিত ৫৬ সংখ্যক ভাৰত আন্তৰ্ৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱৰ আজি সামৰণি।

০০০০০

অসম বিধানসভাত আজি চাহ বাগিচাৰ শ্ৰমিকক ভূমিৰ অধিকাৰ প্ৰদান সম্পৰ্কীয় এখন বিধেয়ক গৃহীত হয়। ভূমিৰ উৰ্ধসীমা নিৰ্ধাৰণ আৰু স্বত্বপ্ৰদান সংশোধনী বিধেয়ক ২০২৫ শীৰ্ষক এই বিধেয়কৰ জৰিয়তে বাগিচাৰ শ্ৰমিকসকলক ভূমিৰ অধিকাৰ প্ৰদানৰ ব্যৱস্থা কৰা হ'ব। ইয়াৰ ফলত তিনি লাখ ৩৩ হাজাৰৰো অধিক ভূমি স্বত্বহীন চাহ বাগিচাৰ শ্ৰমিকে ভূমি অধিকাৰ লাভ কৰিব। অৱশ্যে এই বিধেয়কত জলহা চাহ বাগিচাপ শ্ৰমিকসকলক অন্তৰ্ভুক্ত কৰা হোৱা নাই। এই সংশোধনী বিধেয়কে অন্য কৃষি কাৰ্যত জড়িত চাহ বাগিচাৰ অন্তৰ্গত শ্ৰমিক শ্ৰেণীসমূহক অন্তৰ্ভুক্ত কৰা নাই। সম্প্ৰতি চাহ বাগিচাত কৰ্মৰত শ্ৰমিকসকলে স্পষ্ট আইনী অধিকাৰ নাইবা সাংবিধানিক সুৰক্ষা অবিহনে ভূমি দখল কৰি আছে। এই নতুন ব্যৱস্থাই তেওঁলোকক স্থায়ীভাৱে ভূমি বন্দোবস্তিত সহায় কৰিব। ইয়াৰ ফলত স্থায়ীভাৱে গৃহ নিৰ্মাণ কৰাৰ লগতে ভূমি সম্পৰ্কত তেওঁলোকৰ অসুৰক্ষিত মনোভাৱ হ্ৰাস পাব। আজি বিধানসভাত এই সন্দৰ্ভত হোৱা আলোচনাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই  বিষয়ে স্পষ্ট কৰি দিয়ে।

***(বাইট ঃ ড০ শৰ্মা)***

মুখ্যমন্ত্ৰীয়ে কয়, যে ভূমিৰ পট্টা লাভ কৰাৰ পাছত চাহ বাগিচাৰ ভূমি ২০ বছৰ পৰ্যন্ত বিক্ৰী কৰিব নোৱাৰিব। ২০ বছৰৰ পাছত ভূমি বিক্ৰী কৰিলেও সেয়া বাগিচাৰ আন শ্ৰমিককহে বিক্ৰী কৰিব পাৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। উল্লেখযোগ্য যে চৰকাৰী তথ্য অনুসৰি ৰাজ্যখনত ৮২৫ খন চাহ বাগিচা অঞ্চলত দুই লাখ ১৮ হাজাৰ ৫৫৩ বিঘাৰো অধিক ভূমিত শ্ৰমিকসকলে বাস কৰি আছে।

ৰাজ্য চৰকাৰে চাহ জনগোষ্ঠীৰ লোকসকলক ভূমি পট্টা দিয়াৰ বাবে বিধানসভাত বিধেয়ক গৃহীত কৰাক চাহ জনগোষ্ঠীয় ছাত্ৰ সন্থা আৰু সদৌ অসম চাহ মজদুৰ সংঘই আদৰণি জনাইছে। তেওঁলোকে এই পদক্ষেপৰ বাবে মুখ্যমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰে।

***(বাইট ঃ টি লেবাৰ)***

০০০০

ৰাজ্যত বৰ্তমান ১৪ খন চিকিৎসা মহাবিদ্যালয়ত চিকিৎসা প্ৰদানৰ লগতে ছাত্ৰ-ছাত্ৰীক নিয়মীয়াকৈ পাঠদান কৰি থকা হৈছে। বিধানসভাত আজি বিধায়ক আব্দুল কালাম ৰছিদ আলমৰ এটা প্ৰশ্নৰ লিখিত উত্তৰত স্বাস্থ্য আৰু পৰিয়ালকল্যাণ বিভাগৰ মন্ত্ৰী অশোক সিংহলে এই কথা প্ৰকাশ কৰি কয়, যে নতুনকৈ আৰু ১৩ খন চিকিৎসা মহাবিদ্যালয়ৰ আন্তঃগাঁথনি নিৰ্মাণৰ কাম হাতত লোৱা হৈছে। ইয়াৰ ভিতৰত বঙাইগাঁও চিকিৎসা মহাবিদ্যালয়, বিশ্বনাথ চিকিৎসা মহাবিদ্যালয়, চৰাইদেউ চিকিৎসা মহাবিদ্যালয় আৰু তামুলপুৰ চিকিৎসা মহাবিদ্যালয়ৰ নিৰ্মাণ কাৰ্য প্ৰায় সম্পূৰ্ণ হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ লগতে কয়, যে হাইলাকান্দি আৰু হোজাই চিকিৎসা মহাবিদ্যালয়ৰ বাবে প্ৰয়োজনীয় ভূমি চিনাক্তকৰণৰ প্ৰক্ৰিয়া ইতিমধ্যে আৰম্ভ হৈছে। আশা কৰ্মীৰ মাননী সন্দৰ্ভত সোধা আন এটা প্ৰশ্নৰ উত্তৰত শ্ৰী সিংহলে কয়, যে ৰাজ্যত বৰ্তমান ৩৩ হাজাৰ ৪২১ গৰাকী আশা কৰ্মীয়ে মাহিলী পাৰিতোষিক লাভ কৰি আছে।

ইপিনে মিছন বসুন্ধৰাৰ জৰিয়তে ভূমিপট্টা প্ৰদান সন্দৰ্ভত বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাৰ এটা প্ৰশ্নৰ উত্তৰত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই কয়, যে এই আঁচনিৰ জৰিয়তে বৰ্তমানলৈকে ৰাজ্যৰ তিনি লাখ তিনি হাজাৰ ৯২৫ টা পৰিয়ালক ভূমি পট্টা প্ৰদান কৰা হৈছে। তেওঁ কয়, যে কামৰূপ মহানগৰ জিলা আয়ুক্তৰ পৰা লাভ কৰা তথ্য অনুসৰি গুৱাহাটী মহানগৰীত এহেজাৰ ১২ টা পৰিয়ালক ভূমি পট্টা প্ৰদান কৰ হৈছে। তেওঁ লগতে কয়, গুৱাহাটী মহানগৰীৰ পাহাৰৰ বনভূমিত বহু বছৰ ধৰি বসবাস কৰা জনজাতীয় পৰিয়ালক বন অধিকাৰ আইন ২০০৬ অনুযায়ী ভূমি পট্টা দিয়াৰ ব্যৱস্থা কৰা হৈছে আৰু ইতিমধ্যে ৯২ টা জনজাতি পৰিয়ালে ভূমি পট্টা লাভ কৰিছে।

০০০০০

হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধাৰ্থে ৩০০ টকাকৈ জলপানি প্ৰদানৰ ব্যৱস্থা আজি আনুষ্ঠানিকভাৱে আৰম্ভ কৰা হয়। এই উপলক্ষে পাঞ্জাবাৰীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু উপস্থিত থাকে। চলিত মাহৰ পৰা অহা চাৰি মাহলৈ দশম শ্ৰেণীত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলে এই জলপানি লাভ কৰিব। শিক্ষাৰ্থীসকলৰ আত্মবিশ্বাস আৰু মনোবল বৃদ্ধিৰ উপৰি তেওঁলোকৰ অধ্যয়নৰ সামগ্ৰী তথা পুষ্টিকৰ খাদ্য ক্ৰয়ত সহায়ৰ বাবে **প্ৰেৰণা** শীৰ্ষক জলপানিৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ জৰিয়তে ৰাজ্যৰ চাৰি লাখ ৪০ হাজাৰৰো অধিক ছাত্ৰ-ছাত্ৰী উপকৃত হ'ব বুলি আশা কৰা হৈছে।

অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে ৰাজ্যত সম্প্ৰতি শিক্ষা ব্যৱস্থা যথেষ্ট উন্নত হৈছে আৰু ছাত্ৰ-ছাত্ৰীসকলৰ উপযুক্ত শিক্ষা গ্ৰহণৰ বাবে এটা পৰিকাঠামো নিৰ্মাণ কৰা হৈছে।

০০০০০

বিজ্ঞান সন্মতভাৱে অপৰাধী চিনাক্তকৰণৰ ক্ষেত্ৰত অসম আৰক্ষীয়ে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। দেশৰ ভিতৰতে প্ৰথমবাৰৰ বাবে অসমত স্থাপন কৰা মেজাৰমেণ্ট কালেকচন ইউনিট চমুকৈ এম চি ইউত ডি এন এ নমুনা সংগ্ৰহ কৰি সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে। উলুবাৰীৰ অপৰাধ অনুসন্ধান বিভাগৰ কাৰ্যালয়ত আয়োজিত এখন সংবাদমেলত আজি আৰক্ষী বিশেষ সঞ্চালক প্ৰধান মুন্না প্ৰসাদ গুপ্তাই এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে কেন্দ্ৰীয় চৰকাৰে ২০২২ চনত প্ৰৱৰ্তন কৰা অপৰাধী চিনাক্তকৰণ পদ্ধতি আইনখনৰ সম্প্ৰসাৰণ কৰা হৈছে। এই নতুন ব্যৱস্থা অনুসৰি অপৰাধীৰ চকুৰ ৰেটিনা স্কেন কৰিব পৰা যাব। ৰাজ্যৰ প্ৰতিখন জিলা সদৰত নেচনেল ক্ৰাইম ৰেকৰ্ড ব্যুৰ'ৰ সহযোগত একোটাকৈ এম চি ইউ স্থাপন কৰা হ'ব বুলি শ্ৰী গুপ্তাই প্ৰকাশ কৰে।

০০০০০

নগাঁও জিলা প্ৰশাসনে কামপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত লুটুমাৰী সংৰক্ষিত বনাঞ্চলৰ প্ৰায় ছহেজাৰ বিঘা দখলীকৃত মাটিত কাইলৈ উচ্ছেদ অভিযান আৰম্ভ কৰিব। কাইলৈ পুৱা ৭ বজাৰ পৰা বনাঞ্চলখনত উচ্ছেদ অভিযান চলোৱা

হ'ব বুলি জিলা প্ৰশাসনে সদৰি কৰিছে। ইতিমধ্যে উচ্ছেদ অভিযানৰ বাবে অস্থায়ী আৰক্ষী শিবিৰ স্থাপন কৰা হৈছে। বন বিভাগৰ সূত্ৰই জনোৱা অনুযায়ী বনাঞ্চলখনৰ ৫ হাজাৰ ৯৬২ বিঘা মাটিত এহেজাৰ ৭০০টা পৰিয়ালে অবৈধভাৱে বাস কৰি আছে। অঞ্চলটোত উচ্ছেদৰ বাবে ইতিপূৰ্বে প্ৰশাসনে নিৰ্দিষ্ট সময় বান্ধি দিছিল যদিও শস্য চপোৱাৰ বাবে অতিৰিক্ত সময় নিৰ্ধাৰণ কৰি দিয়া হয়। অভিযানৰ প্ৰাকমুহূৰ্তত জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই উচ্ছেদ অভিযান চলাবলগীয়া ঠাইত উপস্থিত হৈ দখলকাৰীসকলক নিজৰ ভূমিলৈ ঘুৰি যাবলৈ আহ্বান জনায়। উল্লেখযোগ্য যে দখলকাৰীসকলৰ একাংশই ইতিমধ্যেই দখলীকৃত ভূমিৰ পৰা আঁতৰি গৈছে।

বাইট

ooooo

শিৱসাগৰ জিলাৰ জাঁজীৰ পৰা ডিমৌলৈ অসম্পূৰ্ণ হৈ থকা চাৰিলেনযুক্ত পথৰ নিৰ্মাণ কাৰ্য অহা বছৰৰ ফেব্ৰুৱাৰী-মাৰ্চৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব বুলি ৰাষ্ট্ৰীয় ঘাইপথ আৰু আন্তঃগাঁথনি উন্নয়ন নিগম লিমিটেডৰ সাধাৰণ প্ৰবন্ধক দেৱেন্দ্ৰ কুমাৰে প্ৰকাশ কৰিছে। জিলাখনৰ জাপিসজিয়াত এখন পথ সজাগতা সভাত অংশ লৈ প্ৰবন্ধকগৰাকীয়ে এই ক্ষেত্ৰত সকলোৰে সহযোগিতা কামনা কৰে। পথ সজাগতা সভাৰ অংশ হিচাপে ৰাষ্ট্ৰীয় ঘাই পথেৰে অহা মটৰচাইকেল চালকক বিনামূলীয়াকৈ হেলমেট বিতৰণ কৰা হয়।

ooooo

শ্ৰীভূমি জিলাৰ বাসিন্দাসকলৰ স্বাস্থ্য সুৰক্ষা সুনিশ্চিত কৰিবলৈ আৰু খোৱাপানীৰ যোগান বজাই ৰাখিবলৈ খাদ্য ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ দায়িত্বপ্ৰাপ্ত অতিৰিক্ত জিলা আয়ুক্তই গুৰুত্বপূৰ্ণ নিৰ্দেশনা জাৰি কৰিছে। নিৰ্দেশনাত উল্লেখ কৰা অনুযায়ী জিলাখনত প্ৰত্যেকখন খাদ্য বিপনীয়ে উপভোক্তাসকলক প্ৰদান কৰা খোৱাপানীৰ গুণগত মান প্ৰতিমাহে পৰীক্ষা কৰাব লাগিব। এই পৰীক্ষা জনস্বাস্থ্য কাৰিকৰী বিভাগ অথবা সেই বিভাগে অনুমোদন দিয়া পৰীক্ষাগাৰৰ জৰিয়তে কৰাব লাগিব। খোৱাপানীৰ মান ৰাসায়নিক, ভৌতিক আৰু জৈৱিক পৰিমাপৰ ভিত্তিত পৰীক্ষা কৰা হ'ব। খাদ্য বিপনীসমূহে প্ৰতিমাহৰ ১০ তাৰিখৰ ভিতৰত পৰীক্ষাৰ প্ৰতিবেদন জিলা স্বাস্থ্য অধিকাৰী, পৌৰ সভা বা স্থানীয় অনুজ্ঞাপত্ৰ প্ৰদানকাৰী কৰ্তৃপক্ষৰ ওচৰত জমা দিব লাগিব। ইয়াৰ লগতে জনস্বাস্থ্য কাৰিকৰী বিভাগকো নিৰ্দিষ্ট সময়ৰ অন্তৰালত খাদ্যৰ প্ৰতিষ্ঠানসমূহৰ খোৱাপানীৰ পৰীক্ষা কৰি প্ৰতিবেদন আগবঢ়াবলৈ নিৰ্দেশ দিয়া হৈছে। নিৰ্দেশ অমান্য কৰিলে জনস্বাস্থ্য আৰু খাদ্য সুৰক্ষাৰ সৈতে জড়িত আইনৰ মাধ্যমত কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হব বুলি নিৰ্দেশনাটোত স্পষ্ট কৰা হৈছে।

ooooo

গ্ৰেপ্তাৰ পদ্ধতি আৰু আৰক্ষীৰ জবাবদিহিতা বিষয়ত হাটশিঙিমাৰী জিলা আদালতত জিলা আইন সেৱা প্ৰাধিকাৰীয়ে আজি এখন বিশেষ সজাগতা সভা অনুষ্ঠিত কৰে। ৰাজ্যিক আৰক্ষীৰ জবাবদিহিতা আয়োগৰ অধ্যক্ষা আৰু প্ৰাক্তন ন্যায়াধীশ ৰুমী কুমাৰী ফুকনে এই সভাত ভাৰ্চুৱেলী অংশগ্ৰহণ কৰে। কাৰ্যসূচীটোত ন্যায়াধীশ সঞ্জয় হাজৰিকা, মুখ্য ন্যায়িক দণ্ডাধীশ শ্বৰ্বানী ভট্টাচাৰ্য্য, জিলা আইন সেৱা সচিব জয়ন্ত কুমাৰ শইকীয়াকে ধৰি ভালেসংখ্যক আইন সেৱা বিষয়া আৰু আৰক্ষী বিষয়া উপস্থিত থাকে। সাধাৰণ নাগৰিক, আইনৰ শিক্ষাৰ্থী আৰু ন্যায়পালিকা ব্যৱস্থাৰ সৈতে জড়িত ব্যক্তিসকলৰ মাজত আইনী সজাগতা বৃদ্ধি কৰাৰ বাবে এই কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। অভিযুক্তক গ্ৰেপ্তাৰৰ নীতি নিয়ম, আৰক্ষীৰ জবাবদিহিতা আদি বিষয়ত ৰুমী কুমাৰী ফুকনে বিশদভাৱে ব্যাখ্যা কৰে। গ্ৰেপ্তাৰৰ ক্ষেত্ৰত জামিন প্ৰাপ্তিৰ সুযোগ আৰু সুবিধাসমূহৰ সন্দৰ্ভত আৰক্ষীক সচেতন হৈ কাম কৰিবলৈ শ্ৰীমতী ফুকনে আহ্বান জনায়।

ooooo

গোৱাৰ পানাজীত অনুষ্ঠিত ৫৬ সংখ্যক ভাৰত আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ- IFFI-ৰ আজি সামৰণি পৰিব। মহোৎসৱৰ আজি অন্তিম দিনা ফ্ৰান্স, ছিংগাপুৰ আৰু থাইলেণ্ডৰ যুটীয়া প্ৰযোজনাৰে নিৰ্মিত থাই ভাষাৰ চিনেমা

এ ইউজফুল ঘোষ্ট প্ৰদৰ্শন কৰা হয়। গোৱাৰ শ্যামা প্ৰসাদ মুখাৰ্জী ষ্টেডিয়ামত আজি আকৰ্ষণীয় সামৰণি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এইবাৰৰ প্ৰতিযোগিতাৰ বিজয়ীসকলৰ নাম আজিৰ এই অনুষ্ঠানতে ঘোষণা কৰাৰ লগতে বঁটাসমূহ প্ৰদান কৰা হ'ব। আজি সামৰণি উপলক্ষে আয়োজিত বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠানত অসমৰ ৰণজিৎ গগৈৰ নেতৃত্বত এটা বিহু দলে অংশ ল'ব।

এইবাৰৰ মহোৎসৱত ৮১ খন দেশৰ ২৪০ খনৰো অধিক চলচ্চিত্ৰ প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হয়। মহোৎসৱৰ কেন্দ্ৰীয় ৰাষ্ট্ৰ জাপানৰ ৭ খন ছবি আৰু সহযোগী ৰাষ্ট্ৰ স্পেইনৰ ৪খন ছবি এইবাৰ প্ৰদৰ্শন কৰা হয়। যোৱা ২০ নৱেম্বৰত এই মহোৎসৱৰ শুভাৰম্ভ কৰা হৈছিল।

ooooo

অসম প্ৰদেশ কংগ্ৰেছৰ সংবাদমাধ্যম আৰু যোগাযোগ বিভাগৰ আজি এখন গুৰুত্বপূৰ্ণ পৰ্যালোচনা বৈঠক গুৱাহাটীত অনুষ্ঠিত হয়। ভাৰতীয় জাতীয় কংগ্ৰেছৰ সংবাদ মাধ্যম আৰু যোগাযোগ বিভাগৰ অধ্যক্ষ পৱন খেৰাৰ পৌৰহিত্যত অনুষ্ঠিত বৈঠকখনত অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি আৰু সাংসদ গৌৰৱ গগৈ, প্ৰাক্তন সাংসদ আব্দুল খালেক, প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক প্ৰদ্যুৎ ভূঞা, নিখিল ভাৰত কংগ্ৰেছৰ সংবাদ মাধ্যমৰ অসমৰ তত্বাৱধায়ক চৰণচিং চাপ্ৰাৰ লগতে জিলা কংগ্ৰেছৰ অধ্যক্ষসকল, জ্যেষ্ঠ মুখপাত্ৰ আৰু মিডিয়া পেনেলিষ্টসকল উপস্থিত থাকে। ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ বাবে সংবাদ মাধ্যম আৰু যোগাযোগ বিভাগে কেনেধৰণে তৎপৰতা আগবঢ়াব সেই বিষয়ে সভাত বিস্তৃতভাৱে আলোচনা কৰা হয়।

ooooo

বাক্সা জিলাৰ হাটখোলাত বনৰীয়া হাতীৰ আক্ৰমণত আজি সন্তোষ কলিতা নামৰ এজন লোকৰ মৃত্যু হয়। পুৱাৰে পৰা দুটা বনৰীয়া হাতীয়ে অঞ্চলটোত ঘৰ-বাৰীৰ ক্ষতি কৰি উপদ্ৰৱ কৰে। বন বিভাগে ৰাইজক সতৰ্ক হৈ থাকিবলৈ আহ্বান জনাইছে। বনৰীয়া হাতীৰ উপদ্ৰৱৰ বাবে আজি হাটখোলাৰ গড়আলী ভোলানাথ হাইস্কুলৰ পৰীক্ষা বাতিল কৰা হয়। ঘটনাস্থলীত সম্প্ৰতি মানাহ ব্যাঘ্ৰ প্ৰকল্পৰ ক্ষেত্ৰ সঞ্চালক, শালবাৰী মহকুমাৰ আৰক্ষী বিষয়াৰ লগতে বন বিভাগৰ দলে হাতী দুটা মানাহ ৰাষ্ট্ৰীয় উদ্যানলৈ খেদি পঠিওৱাৰ চেষ্টা চলাই আছে বুলি আমাৰ বাক্সাৰ সংবাদদাতাই জনাইছে।

ooooo

আকাশবাণী গুৱাহাটীৰ ৰিক্ৰিয়েচন ক্লাবৰ উদ্যোগত সুধাকণ্ঠ ভূপেন হাজৰিকা আৰু ৰাইজৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ গীতৰ সমূহীয়া পৰিৱেশনৰ বাবে পৰহিলৈ আকাশবাণী গুৱাহাটীৰ চৌহদৰ খেলপথাৰত এটা বৰ্ণাঢ্য অনুষ্ঠানৰ আয়োজন কৰা হৈছে। দেওবাৰে দিনৰ ১১ বজাৰ পৰা হ'বলগীয়া এই অনুষ্ঠানত আকাশবাণীৰ চৌহদৰ বাসিন্দাসকলৰ লগতে বহু কেইগৰাকী আমন্ত্ৰিত শিল্পীয়ে দুয়োগৰাকী শিল্পীৰ গীত পৰিৱেশন কৰিব।

ooooo

সমাগত ৰাজ্য বিধান সভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশ মৰ্মে অহা পহিলা ডিচেম্বৰৰ পৰা আকাশবাণী গুৱাহাটী যোগে প্ৰচাৰিত বাতৰি আৰু বাতৰি বিভাগৰ কেতবোৰ অনুষ্ঠানৰ সময়ৰ কিছু সালসলনি কৰা হৈছে। এই অনুসৰি দিনৰ ১১ বজাত প্ৰচাৰিত মুখ্য বাতৰি এক ডিচেম্বৰৰ পৰা পাঁচ মিনিটৰ বাতৰি বুলেটিন হিচাপে প্ৰচাৰ কৰা হ'ব। দিনৰ ১২ বাজি পাঁচ মিনিটত প্ৰচাৰ কৰা বাতৰিৰ সময় ১০ মিনিটলৈ বৃদ্ধি কৰা হ'ব। একেদৰে তিনি বজাৰ মুখ্য বাতৰিৰ পৰিৱৰ্তে পাঁচ মিনিটৰ বুলেটিন প্ৰচাৰ কৰা হ'ব। সন্ধিয়া ছয় বজাৰ বাতৰি এতিয়া পাঁচ মিনিটৰ পৰিৱৰ্তে ১০ মিনিটৰ বাবে প্ৰচাৰ কৰা হ'ব। প্ৰতি মঙলবাৰে এক বাজি ২০ মিনিটত প্ৰচাৰ কৰা প্ৰাসংগিকৰ উপৰি প্ৰতিদিনে বিয়লি তিনি বাজি পাঁচ মিনিটৰ পৰা তিনি বাজিৰ ১৫ মিনিটলৈ প্ৰাসংগিক প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটো প্ৰতিনিশা ৯ বাজি ১৫ মিনিটৰ পৰা ৯ বাজি ২৫ মিনিটলৈ পুনৰ প্ৰচাৰ কৰা হ'ব। ইপিনে প্ৰতি

সোমবাৰে প্ৰচাৰিত ক্ৰীড়া বাৰ্তাৰ সময়ত পাঁচ মিনিট হ্ৰাস কৰা হৈছে। এই অনুসৰি অহা সোমবাৰৰ পৰা সন্ধিয়া ৬ বাজি ৪০ মিনিটৰ পৰা ৬ বাজি ৪৫ মিনিটলৈ ক্ৰীড়া বাৰ্তা প্ৰচাৰ কৰা হ'ব।

ooooo

সমাপ্ত